# বড়ো ভাষাৰ সাহিত্য অকাডেমী বঁটা বাক্সাৰ ৰশ্মি চৌধুৰীলৈ

**গণজীৱন, মুছলপুৰৰ বিশেষ প্ৰতিবেদক, ২২ ডিচেম্বৰ ঃ** সাহিত্য অকাডেমী বঁটা লাভেৰে বাক্সা জিলালৈ গৌৰৱ কঢ়িয়ালে বৰমাৰ ৰশ্মি চৌধুৰীয়ে। বড়ো ভাষাৰ কাব্য গ্ৰন্থ 'চানশ্ৰীনি মদিৰা'ৰ বাবে ২০২২ বৰ্ষৰ বাবে বড়ো ভাষাৰ সাহিত্য অকাডেমী বঁটা লাভ কৰে ৰশ্মি চৌধুৰীয়ে। বাক্সা জিলাৰ বৰমাৰ আলাগজাৰ নিবাসী তথা শিংৰাপাৰা প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী ৰশ্মি চৌধুৰীয়ে বিগত ২০০৬ চনৰ পৰা জড়িত হৈছিল সাহিত্য জগতৰ লগত। ৰশ্মি চৌধুৰীয়ে 'বুল্লিনি গুথাল' আৰু 'চানশ্ৰীনি মদিৰা' নামৰ বড়ো ভাষাৰ দুখন কাব্যগ্ৰন্থ ৰচনা কৰিছে। আজি ঘোষিত সাহিত্য অকাডেমী বঁটা লাভ কৰি উৎফুল্লিত ৰশ্মি চৌধুৰীয়ে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ কলমক সংগী কৰি লৈছিল বুলি কয়। এই বঁটা লাভ কৰি তেওঁ যথেষ্ট সুখী বুলি দোহাৰে। ভৱিষ্যতে নিজৰ নামটো যাতে কিতাপৰ বেটুপাতত জিলিকাই ৰাখিব পাৰে তাৰ বাবে লিখাৰ আগ্ৰহ জন্মিছিল বুলিও মত প্ৰকাশ কৰে। বড়ো সাহিত্য সভাৰ সৈতে জড়িত ৰশ্মি চৌধুৰীয়ে ভৱিষ্যতে নেপালী ভাষাৰ এখন গ্ৰন্থ বড়ো ভাষালৈ অনুবাদ কৰি থকা বুলিও প্ৰকাশ কৰে। চৌধুৰীয়ে বঁটা লাভ কৰাৰ পিচতে বাক্সা প্ৰেছ ক্লাব, বড়ো সাহিত্য সভা, বৰমা শাখা সাহিত্য সভা, বিধায়ক ভূপেন বড়ো, জাৰ্ণেলিষ্ট ইউনিয়ন অৱ অসমৰ বাক্সা জিলা সমিতিকে ধৰি বিভিন্ন দল-সংগঠনে শুভেচ্ছা জনায়।